# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, কৰ আইন তথা প্ৰক্ৰিয়াৰ সৰলীকৰণ আৰু দেশৰ বিকাশ ত্বৰান্বিত কৰাই কৰ আৰোপৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ মূল উদ্দেশ্য।

২। বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উচ্চায়োগে দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ বাবে পৰামৰ্শ জাৰি কৰিছে।

৩। নিৰ্বাচন আয়োগে ৯ খন ৰাজ্যৰ ১২ খন ৰাজ্যসভা আসনৰ নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে।

৪। কেন্দ্ৰীয় খেল মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, ভাৰতীয় অলিম্পিক সংস্থাই পেৰিছ অলিম্পিকত মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক অযোগ্য ঘোষণা কৰাৰ বিষয় সন্দৰ্ভত বিশ্ব মল্লযুদ্ধ সংঘৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰিছে। *আৰু*

৫। টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজেতা মিৰাবাঈ চানুৱে একেৰাহে দ্বিতীয় বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব।

০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, কৰ আৰোপৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ মূল উদ্দেশ্য হৈছে কৰ আইন তথা প্ৰক্ৰিয়াৰ সৰলীকৰণ আৰু দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ লগতে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰা। লোকসভাত আজি বিত্ত বিধেয়ক ২০২৪ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমনে কয় যে, চৰকাৰে বিগত দশকত কৰ প্ৰশাসনত আমূল পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। চৰকাৰে কৰ বহু বেছি বৃদ্ধি নকৰাকৈ অধিক স্বচ্ছতাৰ লগতে নিয়ম পালন প্ৰক্ৰিয়াৰ সৰলীকৰণৰ সৈতে সহজ কৰ আৰোপ ব্যৱস্থা প্ৰনয়ন কৰিছে।

মধ্যবিত্ত শ্ৰেণীৰ ওপৰত কৰৰ বোজা বৃদ্ধি পোৱা বুলি কৰা দাবী খণ্ডন কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে ২০২৩ চনত ব্যক্তিগত আয়কৰৰ স্তৰ যথেষ্ট উদাৰ কৰা হৈছে। তেওঁ কয় যে, সকলো কৰদাতাৰ কৰৰ ডেনা পাওনা ৩৭ হাজাৰ ৫০০ টকা হ্ৰাস পাইছে আৰু ইয়াৰ পৰা মধ্যবিত্ত শ্ৰেণী উপকৃত হৈছে।

বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এইবাৰৰ বাজেটত বেতনভোগী কৰ্মচাৰীৰ বাবে ষ্টেণ্ডাৰ্ড ডিডাকচন ৫০ হাজাৰৰ পৰা ৭৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত বেতনভোগী কৰ্মচাৰীসকলে ১৭ হাজাৰ ৫শ টকা পৰ্যন্ত সকাহ লাভ কৰিব। তেওঁ কয় যে, নতুন পেঞ্চন ব্যৱস্থা বাচি লব খোজা ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডৰ বেংক কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিয়োগকৰ্তাৰ যোগদান ১০ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰা হৈছে। বিগত দুবছৰত মধ্যবিত্ত শ্ৰেণীক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে বুলি শ্ৰীমতী সীতাৰমনে দাবী কৰে। তেওঁ কয় যে, কোৱিড মহামাৰীৰ

সন্মুখীন হোৱাৰ বাবদ হোৱা ব্যয়ৰ জোৰা মৰাৰ বাবে কোনো ধৰণৰ কৰ আৰোপ কৰা নাছিল। ২০২৪ বৰ্ষৰ অন্তৰ্বৰ্তী বাজেটত ৯০ লাখ কৰদাতাৰ  সত্যাসত্য পৰীক্ষা নকৰাকৈ ক্ষুদ্ৰ আৰু পূৰণি কৰ দাবী অভিলেখৰ পৰা আঁতৰ কৰা হৈছিল। এঞ্জেল টেক্সৰ বিলুপ্তি সাধনৰ পৰা ষ্টাৰ্ট আপসমূহে সকাহ লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

পৰোক্ষ কৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় সুবিধাজনক কৰি তোলাৰ বাবে সীমা শুল্কৰ প্ৰক্ৰিয়া সৰল কৰি তোলাৰ উদ্দেশ্যে ভালেমান পদক্ষেপ লোৱা হৈছে। ইয়াৰ ফলত ঘৰুৱা উৎপাদন আৰু ৰপ্তানিৰ প্ৰতিযোগিতা বৃদ্ধি পাব। তেওঁ কয় যে, কেচা সামগ্ৰীৰ মূল্য আৰু ঘৰুৱা উৎপাদন ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে বাজেটত তালিকাভূক্ত ভালেমান সামগ্ৰীৰ সীমা শুল্ক কম কৰা হৈছে।

000

চৰকাৰে কৈছে যে, ২০২৩-২৪ চেনিবৰ্ষৰ বাবে যোৱা মাহত কুঁহিয়াৰ খেতিয়কসকলক প্ৰায় ৯৫ দশমিক ৩ শতাংশ বকেয়া আদায় দিয়া হৈছে। লোকসভাত আজি এটা লিখিত উত্তৰত গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ ৰাজ্যমন্ত্ৰী নিমুবেন জয়ন্তীভাই বাম্ভানেয়াই এই কথা সদৰি কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে কুঁহিয়াৰ খেতিয়কসকলৰ  বকেয়া আদায় দিয়াৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ কয় যে, ২০২১-২২ বৰ্ষৰ ছেপ্তেম্বৰ–অক্টোবৰ পৰ্যন্ত ৯৯ দশমিক ৯ শতাংশ বকেয়া পৰিশোধ কৰা হৈছে। ২০২২-২৩ বৰ্ষৰ বাবে ৯৯ দশমিক ৬ শতাংশৰো অধিক বকেয়া আদায় দিয়া হৈছে। তেওঁ কয় যে, চেনিকলসমূহে নিয়মীয়াভাৱে খেতিয়কসকলক কুঁহিয়াৰৰ ধন আদায় দি আছে আৰু ইয়াৰ ফলত বকেয়াৰ পৰিমাণ হ্ৰাস পাইছে।

0000

বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উচ্চায়োগে দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ বাবে পৰামৰ্শ জাৰি কৰিছে। আয়োগে বাংলাদেশত বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় নাগৰিক আৰু শিক্ষাৰ্থীসকলক অনাহকত ঘৰৰ পৰা বাহিৰলৈ ওলোৱাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিছে। জৰুৰীকালীন পৰিস্থিতিৰ ভাৰতীয় নাগৰিকৰ সহায়ৰ বাবে আয়োগে কেইটামান টেলিফোন নম্বৰো মুকলি কৰিছে।

000

নিৰ্বাচন আয়োগে ৯ খন ৰাজ্যৰ ১২ খন ৰাজ্যসভা আসনৰ  নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। সেই অনুসৰি ১৪ আগষ্টত অধিসূচনা  জাৰি কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে ২১ আগষ্ট পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব আৰু ২২ আগষ্টত মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৬ আৰু ২৭ আগষ্ট ধাৰ্য কৰা হৈছে। ৩ ছেপ্তেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

000

ভাৰতৰ বাবে দুৰ্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাক্ৰমত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত  ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ ফাইনেলৰ বাবে অযোগ্য ঘোষণা কৰা হৈছে। অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰা দেশৰ এইগৰাকী মহিলা মল্লযোদ্ধা আজি এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া আছিল। ইয়াৰ পূৰ্বে ৱিনেশ ফোগতে বিশ্বৰ প্ৰথমস্থানৰ খেলুৱৈ তথা ২০২০ চনৰ টকিঅ' অলিম্পিকৰ চূড়ান্ত বিজয়ী জাপানৰ য়ুয়ি ছুজাকীক প্ৰি কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত কৰিছিল। খেলুৱৈগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত ইউক্ৰেইনৰ অ'কচানা লিভাচক পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ বিপৰীতে ছেমি ফাইনেলত কিউবাৰ য়ুছনেইলিছ গুজমান লোপেজ

পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। জ্যোতি য়াৰাজীয়ে মহিলাৰ এশ মিটাৰ হাৰ্ডেলছৰ হিট শিতানত সপ্তম স্থান দখল কৰি ৰিপছেজ ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ইপিনে, মণিকা বাট্ৰা, শ্ৰীজা অকুলা আৰু অৰ্চনা কামাথক লৈ গঠিত ভাৰতীয় মহিলা টেবুল টেনিছ দলটো জাৰ্মানীৰ প্ৰতিদ্বন্দ্বীৰ হাতত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈছে। একেদৰে মহিলাৰ ৫৩ কিলোগ্ৰাম ওজন শাখাত অন্তিম পংঘল তুৰস্কৰ জেইনেপ য়েদগিলৰ হাতত ১০-০ ফলাফলত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা মিৰাবাঈ চানুৱে একেৰাহে দ্বিতীয় বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব। চানু নিশা ১১ বজাত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অৱতীৰ্ণ হ'ব।

আনহাতে, অবিনাশ চাৱলে পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপলচেছৰ ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন নিশা ১ বাজি ১৩ মিনিটত অনুষ্ঠিত হ'ব।

০০০

কেন্দ্ৰীয় খেল মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, ভাৰতীয় অলিম্পিক সংস্থাই পেৰিছ অলিম্পিকত মহিলা মল্লযোদ্ধা ৰিনেশ ফোগতক অযোগ্য ঘোষণা কৰাৰ বিষয় সন্দৰ্ভত বিশ্ব মল্লযুদ্ধ সংঘৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰিছে। লোকসভাত আজি নিজাববীয়াকৈ বিবৃতি দি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে ৰিনেশ ফোগতক সকলো ধৰণৰ সহায় আগবঢ়াইছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্তিগতভাৱে বিষয়টো লৈ ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি.টি. উষাৰ সৈতে ফোনযোগে কথা পাতিছে। ভাৰতীয় অলিম্পিক সংস্থাক বিষয়টোৰ ক্ষেত্ৰত সকলো সম্ভাৱনাৰ অন্বেষণ কৰিবলৈ কোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বিশ্ব মল্লযুদ্ধ সংঘৰ নিয়ম অনুসৰি কোনো এগৰাকী এথলীটে ওজন জোখাৰ পৰা বিৰত থাকিলে অথবা ওজনৰ নিৰ্দিষ্ট মাপকাঠি মানি চলাত ব্যৰ্থ হ'লে খেলুৱৈগৰাকীক প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে, ওজন পৰীক্ষাৰ সময়ত ৫০ কিলোগ্ৰাম ওজন শাখাত প্ৰতিদ্বন্দিতা আগবঢ়োৱা ফোগতৰ ওজন নিৰ্ধাৰিত সীমাতকৈ এশ গ্ৰাম অধিক পোৱা গৈছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পেৰিছ অলিম্পিকত আগবঢ়োৱা উল্লেখনীয় প্ৰদৰ্শনৰ বাবে মল্লযোদ্ধা ৰিনেশ ফোগতৰ শলাগ লৈছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে যে, ফোগতৰ অসাধাৰণ সাফল্যই দেশক গৌৰৱান্বিত কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, অলিম্পিকত ফোগতক অযোগ্য ঘোষণা কৰাটো দেশৰ বাবে দুখজনক যদিও তেওঁ ১৪০ কোটি ভাৰতীয়ৰ হৃদয়ত ছেম্পিয়ন হৈ থাকিব। ফোগত ভাৰতীয় মহিলাসকলৰ কেতিয়াও হাৰ নমনাৰ মানসিকতাৰ প্ৰতিক বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। তেঁও কয় যে, খেলুৱৈগৰাকী ভৱিষ্যতে বিশ্ব ছেম্পিয়ন হ'বলগীয়া ভাৰতীয় খেলুৱৈসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব। তেওঁ লগতে খেলুৱৈগৰাকীৰ উজ্বল ভৱিষ্যত কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ অলিম্পিকত মহিলাৰ মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলৰ বাবে অযোগ্য ঘোষিত ৰিনেশ ফোগতক শান্তনা প্ৰদান কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কয় যে, এই অন্তৰায় দুখদায়ক আৰু তেওঁৰ নিৰাশা ব্যক্ত কৰাৰ বাবে কোনো শব্দ নাই। তেওঁ কয় যে, ফোগত ছেম্পিয়নৰ ছেম্পিয়ন আৰু দেশৰ গৌৰৱ। খেলুৱৈগৰাকীয়ে প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে, প্ৰত্যাহ্বানৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজ দিয়াটো ৰিনেশ ফোগতৰ চৰিত্ৰ।

তেওঁ কয় যে, সকলোৱে খেলুৱৈগৰাকীৰ প্ৰতি সমৰ্থন আগবঢ়াইছে আৰু তেঁওক এই নিৰাশাৰ পৰা অধিক শক্তিশালী হৈ ওলাব বুলি আশা প্ৰকাশ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহেও ৱিনেশ ফোগতক অযোগ্য ঘোষণা কৰাক লৈ দুখ প্ৰকাশ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, মল্লযোদ্ধা ৱিনেশ ফোগতক অযোগ্য ঘোষণা কৰা কাৰ্যই লাখ লাখ ভাৰতীয়ৰ আশা ভংগ কৰিছে। শ্ৰীশ্বাহে কয় যে, ৱিনেশ ফোগতৰ খেলুৱৈ জীৱন সচাঁকৈ উল্লেখনীয় আৰু তেওঁ বিশ্ব ছেম্পিয়নক পৰাস্ত কৰাৰ অভূতপূৰ্ব সাফল্য অৰ্জন কৰিছে।

ইয়াৰ পূৰ্বে ভাৰতীয় অলিম্পিক সংস্থাই এটা বিবৃতিযোগে কয় যে, ভাৰতীয় দলে গোটেই নিশা ধৰি চেষ্টা চলোৱাৰ পাছতো খেলুৱৈগৰাকীৰ ওজন আজি পুৱাৰ ভাগত ৫০ কিলোগ্ৰামতকৈ কেইগ্ৰামমান বৃদ্ধি পায়।

০০০

পশ্চিমবংগৰ আলু অসমত প্ৰৱেশ কৰিবলৈ নিদিয়াৰ বাবে দেখা দিয়া মূল্যবৃদ্ধিৰ সমস্যা ওৰ পেলোৱাৰ উদ্দেশ্যে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত আজি বৈঠক অনুষ্ঠিত হয়। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে গ্ৰাহক পৰিক্ৰমা খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগেও কেন্দ্ৰীয় চৰকাৰ আৰু পশ্চিমবংগ চৰকাৰৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

সমাপ্ত